# কেনেদৰে বেংক আৰু বেংকিং লোকপালত আপত্তি দৰ্শাব লাগে জানি লওঁক

বিত্তীয় সাক্ষৰতা সপ্তাহ
জুন ৪-৮, ২০১৮

গ্ৰাহক হিচাপে যদি আপুনি দৈনিক বেংকিং সেৱাত অসুবিধাৰ সন্মুখীন হয় যেনে এ.টি.এমৰ পৰা টকা উলিওৱাৰ সময়ত নগদ টকা নোপোৱা, আগতীয়া খবৰ নিদিয়াকৈ মাচুল ধাৰ্য্য কৰা, ক্ৰেডিট কাৰ্ড সম্পৰ্কীয় বিষয় ইত্যাদিৰ বাবে আপোনাৰ বেংকৰ অধিকাৰীৰ লগত বিষয়বোৰ নিষ্পত্তিৰ বাবে যোগাযোগ কৰক। যদি বিষয়বোৰৰ নিষ্পত্তি নহয়, তেন্তে তলত দিয়া কাৰ্য্য-প্ৰণালী অনুসৰণ কৰক।




## বেংকলৈ আপত্তি দৰ্শোৱা

১ আপোনাৰ বেংকৰ শাখাত আপত্তিৰ বাবে থকা বহীত আপোনাৰ আপত্তি লিখক। যদি এনে বহী নাথাকে আপুনি বেংক অধিকাৰীৰ পৰা বিচাৰক বা বেংকৰ ওৱেবচাইটত গৈ অনলাইন যোগে আপত্তি দৰ্শাওক।

২ যদি বেংকৰ শাখাত আপত্তি নিষ্পত্তিৰ বাবে অধিকাৰীৰ নাম ফলকত নাথাকে আপুনি জানিব বিচাৰক। আপত্তিবোৰ নিষ্পত্তিৰ বাবে বেংকৰ এজন নোডেল অধিকাৰী থাকে।

## বেংকিং লোকপালত আপত্তি দৰ্শোৱা

৩ যদি আপোনাৰ বেংকে আপত্তি এমাহৰ ভিতৰত নিষ্পত্তি কৰা নাই আপুনি ৰিজাৰ্ভ বেংকৰ বেংকিং লোকপালৰ লগত যোগাযোগ কৰক। ৰিজাৰ্ভ বেংকৰ বেংকিং লোকপালে আপোনাৰ আপত্তি খৰতকীয়া আৰু বিনামূলীয়াকৈ সমাধান কৰিব। বেংকিং লোকপাল আঁচনিৰ অধীনত বেংকিং সেৱাত হ'ব পৰা বহু ধৰণৰ ঘাটি সামৰি লোৱা আছে।

৪ অনলাইন আপত্তি দৰ্শোৱাৰ বাবে ওৱেবচাইট https://bankingombudsman.rbi.org.in চাওক আৰু “Complaint Form” ত ক্লিক কৰক। লিখিত আপত্তিৰ বাবে বেংকিং লোকপালত থকা আপত্তিৰ ফৰ্ম ব্যৱহাৰ কৰক। বেংকিং লোকপাল আঁচনিৰ সবিশেষ, ইয়াৰ পৰিসৰ আৰু ঠিকনা https://bankingombudsman.rbi.org.in ত উপলব্ধ হয়।

সবিশেষ জানিবৰ বাবে অনুগ্ৰহ কৰি চাওক https://bankingombudsman.rbi.org.in

Design: Anupam Sharma03/18-03

বিত্তীয় সাক্ষৰতা ● প্ৰগতিৰ পথ

বি অ'

বিত্তীয় অন্তৰ্ভুক্তি আৰু বিকাশ বিভাগ
ভাৰতীয় ৰিজাৰ্ভ বেংক
www.rbi.org.in